**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-04-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

অসম ৰাজ্যিক শিক্ষা পৰিষদৰ অধীনৰ এই বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হয়। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ হৈছে ৬৩ দশমিক ৯-৮ শতাংশ। পৰীক্ষাত অৱতীৰ্ণ হোৱা ৪ লাখ ২২ হাজাৰ ৭৩৭ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৮৯ হাজাৰ ৪১ গৰাকী শিক্ষাৰ্থী প্ৰথম বিভাগত, এক লাখ ৩৫ হাজাৰ ৫৬৮ গৰাকী দ্বিতীয় বিভাগত আৰু ৪৫ হাজাৰ ৮৬২ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। ৮৫ দশমিক ৫-৫ শতাংশ উত্তীৰ্ণৰ হাৰেৰে শিৱসাগৰ জিলাই প্ৰথম স্থান, ৮১ দশমিক ১-০ শতাংশৰে ডিব্ৰুগড় জিলাই দ্বিতীয় আৰু ৮০ দশমিক ৬-৪ শতাংশ উত্তীৰ্ণৰ হাৰেৰে ধেমাজি জিলাই তৃতীয় স্থান দখল কৰিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত যোৰহাট জিলাৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ আমিষী শইকীয়াই ৯৮ দশমিক ৫-০ শতাংশ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিছে। নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ সপ্তৰ্শ্ব বৰদলৈয়ে ৯৮ দশমিক ৩-৩ শতাংশ নম্বৰ লাভ কৰি দ্বিতীয় স্থান আৰু যোৰহাটৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অনিৰ্বান বৰগোঁহায়ে ৯৮ দশমিক ১-৭ শতাংশ নম্বৰেৰে তৃতীয় স্থান লাভ কৰিছে। উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ মাৰ্কশ্বিটৰ ছপা প্ৰতিলিপি তথা প্ৰমাণ পত্ৰ পৰৱৰ্ত্তী সময়ত প্ৰদান কৰা হ'ব।

ফলাফল ঘোষণাৰ পাছতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজিত এখন সংবাদমেলত পৰীক্ষাত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকললৈ শুভেচ্ছা জ্ঞাপন কৰে। ডাঃ পেগুৱে পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত সকলো পক্ষ্যকে ধন্যবাদ জনাই উত্তীৰ্ণৰ হাৰ নিম্নগামী হোৱা জিলাসমূহৰ আয়ুক্তক এই বিষয়টো পৰ্যালোচনাৰ বাবে আহ্বান জনায়।

০০০০

ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি আবেলি ৩ বজাত সামৰণি পৰে। আজি অন্তিম দিনা ভালেসংখ্যক প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। শিৱসাগৰ জিলাত বিজেপিৰ প্ৰাৰ্থীসকলে জিলা কাৰ্যালয়ৰ পৰা সমদল কৰি আহি মনোনয়ন পত্ৰ দাখিল কৰে। দলটোৱে শিৱসাগৰ বিধানসভা সমষ্টিৰ চাৰিখন জিলা পৰিষদ, ২৭ টা পঞ্চায়ত আৰু ২৭০ টা ৱাৰ্ডত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। ৰাইজৰ দল আৰু অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীয়েও মনোনয়ন পত্ৰ দাখিল কৰে। অৱশ্যে জিলাখনৰ কিমানগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে সেই বিষয়ে এতিয়ালৈকে নিৰ্বাচনী কৰ্তৃপক্ষই প্ৰকাশ কৰা নাই।

কাছাৰ জিলাত বিভিন্ন বিধানসভা সমষ্টিৰ পৰা ভাৰতীয় জনতাপাৰ্টীৰ আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু জিলা পৰিষদৰ সদস্যসকলে মনোনয়ন পত্ৰ দাখিল কৰে। মন্ত্ৰী কৌশিক ৰায়, শিলচৰৰ বিধায়ক দিপায়ন চক্ৰৱৰ্তী, কাছাৰ জিলা বিজেপি সমিতিৰ সভাপতি ৰূপম সাহাকে ধৰি দলীয় কৰ্মীসকলে সমদল উলিয়াই শিলচৰ জিলা পৰিষদৰ কাৰ্যালয়ৰ পৰা কাছাৰ জিলা দণ্ডাধীশৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

জিলাখনত কংগ্ৰেছ দলৰ  ভূবনেশ্বৰ শ্ৰীকোনা জিলা পৰিষদৰ প্ৰাৰ্থী ফৰিদা পাৰবিন, ৰংপুৰ জিলা পৰিষদৰ প্ৰাৰ্থী জমিমা য়াছমিন মজুমদাৰ আৰু কাতিগড় লক্ষ্মীপুৰ জিলা পৰিষদৰ প্ৰাৰ্থী বৰ্ণালী মালাকাৰে মনোনয়ন পত্ৰ দাখিল কৰে।

হোজাই জিলাতো আজি শান্তিপূৰ্ণ ভাৱে মনোনয়ন পত্ৰ দাখিলৰ সামৰণি পৰে। হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষে দলীয় প্ৰাৰ্থীসকলক লৈ এই সমগ্ৰ ব্যৱস্থা পৰিদৰ্শন কৰে। জিলাখনৰ লামডিং সমষ্টিৰ অন্তৰ্গত ১৮খন গাঁও পঞ্চায়তৰ প্ৰাৰ্থীসকলে আজি লামডিং সম-জিলা আয়ুক্তৰ কাৰ্যালয় আৰু লামডিং উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

ইপিনে, নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন আৰু নিৰ্বাচন আয়োগে প্ৰস্তুতি অব্যাহত ৰখাৰ লগতে বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচন হ'বলগীয়া গোলাঘাট জিলাৰ মিছামৰা, ৰতনপুৰ, খুমটাই, নামবৰ জিলা পৰিষদৰ নিৰ্বাচনী  পৰ্যবেক্ষকগৰাকীয়ে আজি সকলো দিশ নিৰীক্ষণ কৰে। স্বচ্ছ আৰু নিৰপেক্ষভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে জনসাধাৰণে নিৰ্বাচনী বিধি উলংঘন সম্পৰ্কীয় যিকোনো অভিযোগ তেওঁৰ ওচৰত দাখিল কৰিব পাৰিব বুলি পৰ্যবেক্ষকগৰাকীয়ে জানিবলৈ দিছে।

০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ অধ্যাপক, গৱেষক, ড° সুৰজিৎ বৰকটকী হাঙ্গেৰীৰ বুদাপেষ্টৰ কৰ্ভিনাছ বিশ্ববিদ্যালয়ৰ অতিথি অধ্যাপক তথা জ্যেষ্ঠ গৱেষক হিচাপে নিৰ্বাচিত হৈছে। অহা ছেপ্তেম্বৰ মাহৰ পৰা প্ৰায় ১০ মাহ সময় অধ্যাপক ড° বৰকটকীয়ে হাঙ্গেৰীৰ অধ্যাপক তমাচ চলিমছিৰ সৈতে কো অপাৰেটিভ গেম থিঅ'ৰি বিষয় সন্দৰ্ভত গৱেষণা কৰাৰ লগতে পাঠদানতো অংশগ্ৰহণ কৰিব। ড° বৰকটকীৰ এই গৱেষণা কাৰ্যৰ বাবে কৰ্ভিনাছ ইন্ষ্টিটিউট অৱ এডভান্স ষ্টাডিজে পুজি যোগান ধৰিব। সন্মানীয় গৱেষণা কৰ্মৰ বাবে নিৰ্বাচিত হোৱা ড° সুৰজিৎ বৰকটকীক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপচাৰ্য্য, পঞ্জীয়ক তথা অধ্যাপক-অধ্যাপিকাসকলে শুভেচ্ছা জনাইছে।

০০০০

গোলাঘাট জিলাৰ বোকাখাটৰ লখৌজান চাহ বাগিছাৰ মাজত আজি এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো বিগত দুটা দিন ধৰি নিখোজ হৈ থকা বোকাখাটৰ শিলভেটাৰ ৪০ বছৰীয়া বুদ্ধেৰে হাছদাৰৰ বুলি চিনাক্ত কৰা হৈছে। এই সম্পৰ্কত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে  বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃ ঃঃঃ ঃঃঃ ঃঃঃ